# কেৰালা চৰকাৰ আৰু আন এজন

বনাম

# ৰাধামণি

২৩ আগষ্ট, ১৯৯৬

(ন্যায়াধীশ কে. ৰামস্বামী আৰু জি. বি. পাটনায়ক)

*কেৰালা ৰাজহ পুনৰুদ্ধাৰ আইন, ১৯৬৮: ধাৰা ৭, ৪৪(২) আৰু (৩).*

*আবকাৰী ঠিকাদাৰ — বাকী পৰিশোধ — বকেয়া — ব্যৰ্থতা — পুনৰুদ্ধাৰ — ডিফল্টাৰ (ধন পৰিশোধ কৰাত ব্যৰ্থ লোক) ঠিকাদাৰে পত্নীৰ নামত কৃষিভূমি হস্তান্তৰ কৰা — বাকী পুনৰুদ্ধাৰ কৰিবলৈ নিৰ্ধাৰিত সম্পত্তি জব্দ কৰিবলৈ তহছিলদাৰৰ দ্বাৰা জাননী জাৰি — বিচাৰ আদালতৰ দ্বাৰা ডিক্ৰীকৃত জাননীক প্ৰত্যাহ্বান জনাই গোচৰ — উচ্চ ন্যায়ালয়ৰ ৰায় অনুসৰি দাবীৰ জাননী জাৰি কৰাটো বকেয়া ধন পুনৰুদ্ধাৰৰ পূৰ্ব চৰ্ত — চৰকাৰে আপীল দাখিল কৰে — ৰায় দিয়া হৈছিল যে, ১৯৬৯ চনৰ ১ এপ্ৰিলত বকেয়া পৰিশোধৰ সময়সীমা হ'ল আৰু উক্ত তাৰিখৰ পিছত মাটি বিক্ৰী হ'ল- আৰু এই তথ্যৰ পৰিপ্ৰেক্ষিতত ধাৰা ৪৪-ৰ উপ-ধাৰা ২ প্ৰাসংগিক হৈ পৰে — বকেয়া পৰিশোধ কৰাত বিলম্ব কৰা বা পিছুৱাই দিয়াৰ উদ্দেশ্যে ডিফল্টাৰে স্থাৱৰ সম্পত্তিৰ হস্তান্তৰ কৰিছিল — গতিকে, তেনে বিক্ৰীয়ে চৰকাৰক বান্ধি ৰাখিব নোৱাৰে — ধাৰা ৪৪ৰ উপ-ধাৰা [৩]ৰ অধীনত উপলব্ধ বিধিগত অনুমানক অস্বীকাৰ কৰাৰ বাবে আগতীয়াকৈ জব্দ কৰাৰ বা বকেয়াৰ দাবীৰ জাননী জাৰি কৰাটো এটা পূৰ্ব চৰ্ত নহয়।*

**দেৱানী আপীল ক্ষেত্ৰাধিকাৰ: দেৱানী আপীল নং ১১৯০৬/১৯৯৬**

১৯৮৩ চনৰ এছ. এ. নং ৭৭-ত কেৰালা উচ্চ ন্যায়ালয়ৰ ১৪.২.৮৯ তাৰিখৰ ৰায় আৰু আদেশৰ পৰা।

আপীলকাৰীৰ হৈ জি. প্ৰকাশ।

প্ৰতিবাদীৰ হৈ পি. কে. মনোহৰ।

আদালতে নিম্নোক্ত আদেশ জাৰি কৰিছিল:

অনুমতি প্ৰদান কৰা হৈছিল।

আমি দুয়ো পক্ষৰ বিদ্বান অধিবক্তাক শুনিলোঁ।

বিশেষ অনুমতিৰ দ্বাৰা এই আবেদন ১৯৮৯ চনৰ ১৪ ফেব্ৰুৱাৰীত কেৰালা উচ্চ ন্যায়ালয়ৰ দ্বিতীয় আপীল নং ৭৭/৮৩-ত দিয়া ৰায় আৰু আদেশৰ পৰাই উদ্ভৱ হৈছে। গোচৰৰ কৰা তথ্যসমূহ হ'ল ১৯৬৮-৬৯ চনত বাসুদেৱন নামৰ এজন ব্যক্তি আবকাৰী ঠিকাদাৰ আছিল। ১৯৬৯ চনৰ ১ এপ্ৰিলত আবকাৰী বাকী ধন পৰিশোধ কৰিবলগীয়া হৈ পৰিছিল। ৩৫,৪৯৭/- টকাৰ ৰাশি আদায়ৰ বাবে ১৯৬৯ চনৰ ৩১ মে'ত কেৰালা ৰাজহ পুনৰুদ্ধাৰ আইন, ১৯৬৮ [চমুকৈ "আইন"]-ৰ অধীনত কাৰ্য্যবিধি আৰম্ভ কৰা হৈছিল। প্ৰদৰ্শক পি-১, ১৯৬৯ চনৰ ১৭ জুনত ডিফল্টাৰৰ ওপৰত দাবীৰ জাননী (Demand Notice) জাৰি কৰা হৈছিল। তাৰ পিছত, ডিফল্টাৰে ১৯৬৯ চনৰ ৩০ জুনত, তেওঁৰ পত্নীৰ নামত ৩ একৰ ৯৭.৫ চেণ্ট কৃষিভূমিৰ বাবে পঞ্জীকৃত বিক্ৰী দলিল কাৰ্যকৰী কৰিছিল। ১৯৬৯ চনৰ ২২ ফেব্ৰুৱাৰীত তহচিলদাৰে বাকী থকা ধন আদায়ৰ বাবে নিৰ্ধাৰিত সম্পত্তি জব্দ কৰাৰ জাননী দিয়ে। জব্দ কৰাৰ জাননীক প্ৰত্যাহ্বান জনাই প্ৰতিবাদীয়ে ৯৪/১৯৭৭ নং গোচৰ ৰুজু কৰে, যাৰ ওপৰত ডিক্ৰী দিয়া হয়। আপীল কৰাত ইয়াক সলনি কৰা হৈছিল। প্ৰতিবাদীয়ে দাখিল কৰা দ্বিতীয়খন আপীলত ১৯৮৯ চনৰ ১৪ ফেব্ৰুৱাৰী তাৰিখৰ বিবাদিত আদেশৰ দ্বাৰা বিদ্বান একক ন্যায়াধীশে ৰায় দিছে যে যদিহে ডিফল্টাৰৰ ওপৰত ধাৰা ৭-ৰ অধীনত দাবীৰ জাননী প্ৰেৰণ কৰা হয় আৰু হস্তান্তৰ তাৰ পিছত কৰা হয়, তেন্তে ব্যক্তিজন ডিফল্টাৰ হৈ পৰে আৰু বকেয়া ধন আদায় কৰিব পৰা যায়। এইদৰে দাবীৰ জাননী প্ৰদান কৰাটো বাকী থকা ধন আদায়ৰ বাবে পূৰ্বচৰ্ত। এনে জাননীৰ অভাৱত, ধাৰা ৪৪-ৰ অধীনত কৰা পূৰ্বানুমান আইনমতে বৈধ নহয়। সেয়ে, প্ৰতিবাদীৰ নামত

কৰা বিক্ৰী আইনমতে বৈধ। সেয়েহে, প্ৰশ্নটো হ’ল উচ্চ ন্যায়ালয়ে গ্ৰহণ কৰা মতামত আইনগতভাৱে শুদ্ধ নেকি?

আইনখনৰ ধাৰা ৪৪-ত তলত দিয়া ধৰণে উল্লেখ আছে:

“৪৪. ডিফল্টাৰৰ দ্বাৰা চুক্তি আৰু হস্তান্তৰৰ প্ৰভাৱ – (১) ডিফল্টাৰে তেওঁৰ ওপৰত লিখিত দাবী জাৰি কৰাৰ পিছত কোনোবাৰ সৈতে কৰা যিকোনো স্থাৱৰ সম্পত্তিৰ যিকোনো চুক্তি চৰকাৰৰ বাবে বাধ্যতামূলক নহ’ব।

(২) কোনো ভূমিত পাবলগীয়া ৰাজহুৱা ৰাজহ বকেয়া হৈ পৰাৰ পিছত ডিফল্টাৰে এনে বকেয়া আদায়ত বাধা বা বিলম্ব কৰাৰ উদ্দেশ্যেৰে কৰা কোনো স্থাৱৰ সম্পত্তিৰ হস্তান্তৰ চৰকাৰৰ বাবে বাধ্যতামূলক নহ’ব।

(৩) যদি ৰাজহুৱা ৰাজহৰ পৰিশোধ কৰিবলগীয়া হোৱাত কোনো ডিফল্টাৰে নিজৰ সম্পত্তি নিকটৱৰ্তী আত্মীয়ক হস্তান্তৰ কৰে বা অতি কম মূল্যত বিক্ৰী কৰে, তেন্তে ধৰি লোৱা হ'ব (যদিহে অন্যথা প্ৰমাণিত নহয়) যে সেই বকেয়া ধন পৰিশোধৰ পৰা হাত সাৰিবলৈ বা বিলম্ব কৰিবলৈ হস্তান্তৰ কৰা হৈছে। এনে ক্ষেত্ৰত সমাহৰ্তা বা কোনো কৰ্তৃত্বপ্ৰাপ্ত বিষয়াই আদালতৰ অনুমোদন সাপেক্ষে সম্পত্তি জব্দ কৰি বিক্ৰী কৰি প্ৰদান নকৰা ধন আদায় কৰিব পাৰে, যেন হস্তান্তৰ কেতিয়াও হোৱাই নাছিল:

লগতে, চৰ্ত হ’ল - এনে সম্পত্তি জব্দ কৰিবলৈ আগবাঢ়ি যোৱাৰ আগতে সমাহৰ্তা বা কৰ্তৃত্বপ্ৰাপ্ত বিষয়াই-

(i) ডিফল্টাৰক শুনানিৰ সুযোগ দিব লাগিব; আৰু

(ii) ইয়াৰ কাৰণ লিখিতভাৱে লিপিবদ্ধ কৰিব লাগিব।

ব্যাখ্যা - এই ধাৰাটোৰ উদ্দেশ্যৰ বাবে "নিকটৱৰ্তী আত্মীয়"ৰ ভিতৰত হস্তান্তৰকাৰীৰ স্বামী, পত্নী, পিতৃ, মাতৃ, ভাতৃ, ভগ্নী, কন্যা, সতীয়া পুত্ৰ, সতীয়া জী, খুৰাক, পেহীয়েক, জোঁৱাই, ভতিজা বা ভতিজী অন্তৰ্ভুক্ত।"

হস্তান্তৰকাৰীৰ দ্বাৰা চুক্তি আৰু হস্তান্তৰৰ প্ৰভাৱ আইনখনৰ উপ-ধাৰা (১)-ৰ পৰা (৩)-লৈকে উল্লেখ কৰা হৈছে। প্ৰতিটো উপ-ধাৰা ধাৰা ৪৪-ৰ দ্বাৰা মোকাবিলা কৰা লেনদেনৰ পৰা স্বাধীন। উপ-ধাৰা (২)ৰ সন্দৰ্ভত, কোনো ভূমিত পাবলগীয়া ৰাজহুৱা ৰাজহ বকেয়া হৈ পৰাৰ পিছত ডিফল্টাৰে এনে বকেয়া আদায়ত বাধা বা বিলম্ব কৰাৰ উদ্দেশ্যেৰে কৰা কোনো স্থাৱৰ সম্পত্তিৰ হস্তান্তৰৰ ক্ষেত্ৰত, তেনে বিক্ৰীয়ে চৰকাৰৰ ওপৰত কোনো প্ৰভাৱ নেপেলাব। উপধাৰা [২] প্ৰয়োগৰ গুৰুত্বপূৰ্ণ প্ৰশ্নটো হ'ল বকেয়া ধনৰ পৰিশোধৰ তাৰিখ কেতিয়া আৰু ভূমি বিক্ৰী কেতিয়া কাৰ্যকৰী হ'ল, যি ভূমিৰ পৰা বকেয়া পুনৰুদ্ধাৰ কৰিব পৰা যাব। ১৯৬৯ চনৰ ১ এপ্ৰিলৰ পৰাই বকেয়া পৰিশোধ কৰিবলগীয়া হৈছিল আৰু উক্ত তাৰিখৰ পিছত মাটি বিক্ৰী হ'ল বুলি উপস্থাপিত তথ্যৰ সন্দৰ্ভত উপ-ধাৰা [২] প্ৰাসংগিক হৈ পৰিছে আৰু সেয়েহে ক'ব পাৰি যে বকেয়া পৰিশোধ কৰাত বিলম্ব কৰা বা পিছুৱাই দিয়াৰ উদ্দেশ্যে ডিফল্টাৰে স্থাৱৰ সম্পত্তিৰ হস্তান্তৰ কৰিছিল। গতিকে এনে বিক্ৰীয়ে চৰকাৰক কাৰ্যব্যৱস্থা গ্ৰহণ কৰাত বাধা দিব নোৱাৰে।

উপ-ধাৰা ৩-য়ে আন এক পৰিস্থিতিৰ কথা উল্লেখ কৰে; য'ত ৰাজহুৱা ৰাজহৰ পৰিশোধ কৰিবলগীয়া হোৱাত কোনো ডিফল্টাৰে নিজৰ সম্পত্তি নিকটৱৰ্তী আত্মীয়ক হস্তান্তৰ কৰে বা অতি কম মূল্যত বিক্ৰী কৰে, তেন্তে ধৰি লোৱা হ'ব (যদিহে অন্যথা প্ৰমাণিত নহয়) যে সেই বকেয়া ধন পৰিশোধৰ পৰা হাত সাৰিবলৈ বা বিলম্ব কৰিবলৈ হস্তান্তৰ কৰা হৈছে। এনে ক্ষেত্ৰত সমাহৰ্তা বা কোনো কৰ্তৃত্বপ্ৰাপ্ত বিষয়াই আদালতৰ অনুমোদন সাপেক্ষে সম্পত্তি জব্দ কৰি বিক্ৰী কৰি প্ৰদান নকৰা ধন আদায় কৰিব পাৰে, যেন হস্তান্তৰ কেতিয়াও হোৱাই নাছিল।

তেনে বিক্ৰী নিকটৱৰ্তী আত্মীয়ৰ পক্ষে অথবা অতি কম মূল্যত হ'ব লাগিব। এয়া হ'ব লাগিব, যদিহে বিক্ৰীৰ আগতে বকেয়া দিবলগীয়া ডিফল্টাৰজনে ৰাজহুৱা ৰাজহ পৰিশোধ কৰিবলৈ থাকে। এনে ক্ষেত্ৰত ইয়াৰ বিপৰীত প্ৰমাণিত নোহোৱালৈকে এনে বাবদ ধন আদায় কৰাত বিফল আৰু বিলম্ব কৰাৰ উদ্দেশ্যেৰে এনে হস্তান্তৰ কৰা বুলি গণ্য কৰা হ'ব। চৰকাৰে বিক্ৰীক আওকাণ কৰি উক্ত মাটি বিক্ৰীৰ জৰিয়তে বাকী থকা ধন আদায় কৰিবলৈ আগবাঢ়িব।

এই ক্ষেত্ৰত প্ৰশ্নটো হ'ল: পূৰ্বৰ দাবীৰ জাননী অবিহনে উপ-ধাৰা [৩]-ৰ অধীনত জাৰি কৰা জব্দৰ জাননীৰ কোনো প্ৰযোজ্যতা আছে নেকি? আমাৰ দৃষ্টিত উচ্চ ন্যায়ালয়ে আইনৰ গুৰুতৰ ভুল কৰিছে। উপ-ধাৰা [৩]-ত পূৰ্বতে এনে জাননী জাৰি কৰা কথা কোৱা হোৱা নাই। ই উল্লেখ কৰে যে এনে এক বিক্ৰীৰ আগতে বকেয়া পৰিশোধযোগ্য হৈ থাকিব লাগিব আৰু তেনে বিক্ৰী নিকটৱৰ্তী আত্মীয়ৰ পক্ষে অথবা অতি কম মূল্যত হ'ব লাগিব। যদি মূল্য অতি কম হয় অথবা বিক্ৰী নিকটৱৰ্তী আত্মীয়ৰ পক্ষে কৰা হয়, উত্থাপিত বিধিগত ধাৰণাটো হ'ল যে হস্তান্তৰটো বকেয়া আদায় কৰাত পলম বা পিছুৱাই দিয়াৰ উদ্দেশ্যেৰে কৰা হৈছিল। গতিকে, তেনে বিক্ৰীয়ে চৰকাৰক বান্ধি ৰাখিব নোৱাৰে। আদায়কাৰী বিষয়াই সেই সম্পত্তিৰ ক্ষেত্ৰত কাৰ্যব্যৱস্থা গ্ৰহণ কৰিবলৈ আগবাঢ়িব পাৰে, যেন হস্তান্তৰ হোৱাই নাছিল। ইয়াৰ বিপৰীত প্ৰমাণ কৰাৰ বোজা ডিফল্টকাৰী আৰু যাৰ পক্ষে হস্তান্তৰ কৰা হয়, তাৰ ওপৰত থাকে। অন্য এজন ব্যক্তিৰ বাবে যি অপৰ্যাপ্ত মূল্য, সেয়া গোচৰটোৰ তথ্যৰ ওপৰত নিৰ্ভৰ কৰিব।

গতিকে, ধাৰা ৪৪ৰ উপ-ধাৰা [৩]ৰ অধীনত উপলব্ধ বিধিগত অনুমানক অস্বীকাৰ কৰাৰ বাবে আগতীয়াকৈ জব্দ কৰাৰ বা বকেয়াৰ দাবীৰ জাননী জাৰি কৰাটো এটা পূৰ্ব চৰ্ত নহয়। সেয়েহে উচ্চ ন্যায়ালয়ে দিয়া এই সিদ্ধান্ত শুদ্ধ নাছিল যে বিক্ৰীৰ পূৰ্বে বকেয়া দাবীৰ বা জব্দ কৰাৰ জাননী দিয়াটো এটা পূৰ্ব চৰ্ত।

সেই অনুসৰি আপীলৰ অনুমতি দিয়া হৈছে। উচ্চ ন্যায়ালয়ৰ ৰায় আৰু আদেশ সলনি কৰা হৈছে। আমি আপীল আদালতে মামলা খাৰিজ কৰা ডিক্ৰী পুনৰ জাৰি কৰোঁ। কোনো খৰচ নাই।

আপীলৰ অনুমতি দিয়া হৈছে।

---

অনুবাদক: হৰ্ষদ্বীপ কলিতা, কনিষ্ঠ অনুবাদক, অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।"